**বিদ্যালয়ৰ নেতৃত্ব: শিক্ষণ-শিকনত বাট দেখুৱাই নিয়া**

| অসমীয়া |
|---|
| আগতে অধিকাংশ শিক্ষকে শিক্ষাদানৰ কাৰণে ভাষণপদ্ধতিয়েই ব্যৱহাৰ কৰিছিল। যেতিয়া ভাষণ শিক্ষাদান পদ্ধতি আৰম্ভ কৰা হৈছিল, ল'ৰা-ছোৱালীবোৰক কিছুমান দলত বিভক্ত কৰি লৈছিলোঁ য'ত সিহঁতে একে লগে বহিব পাৰে আৰু উপস্থাপন কৰিব পাৰে। মইও এই পদ্ধতি ল'ৰা-ছোৱালীবোৰক অনুপ্ৰাণিত কৰিবলৈ আৰু বোৰ্ডত বস্তুবোৰ ব্যাখ্যা কৰিবৰ বাবে ব্যৱহাৰ কৰিছিলোঁ।<br>তেওঁলোকে নিজৰ নিজৰ দলৰ পৰা আহি বোৰ্ডত সেইবোৰ উপস্থাপন কৰিছিল। মোৰ লক্ষ্য আছিল প্ৰতিটো শিশুকে সিহঁতৰ দৃষ্টিভংগীৰ উপস্থাপনৰ বাবে সুবিধা প্ৰদান কৰা।<br>ল'ৰা-ছোৱালীবোৰে লাজ কৰা আৰু নীৰৱে বহি থকা উচিত নহয়। শ্ৰেণীকোঠাত বক্তব্য পদ্ধতি নিবিচাৰোঁ, কিন্তু তাৰ পৰিৱৰ্তে ল'ৰা-ছোৱালীবোৰে সিহঁতৰ উপস্থাপন প্ৰকাশ কৰোঁতোত অগ্ৰাধিকাৰ দিওঁ।<br>বিষয়বস্তুৰ উপৰত যিয়েই বুজি নেপাওক তাৰ বিষয়ে সিহঁতে বোৰ্ডত ব্যাখ্যা কৰা উচিত আৰু বিষয়বস্তুৰ ওপৰত এক উপস্থাপন প্ৰকাশ কৰা উচিত।<br>আমি শিক্ষকসকলক তেওঁলোকে নিজ নিজ পাঠ্যক্ৰম শেষ কৰিলেনে নাই আৰু ল'ৰা-ছোৱালীবোৰে শিকি আছে নে নাই সোধোঁ। মই ল'ৰা-ছোৱালীবোৰৰ মাজলৈও যাওঁ আৰু সিহঁতে শিক্ষকে কোৱাখিনি বুজি পাইছেনে নাই সেই কথা নিশ্চিত হ'বলৈ চেষ্টা কৰো। দুয়োপক্ষৰ মাজত প্ৰকৃততে কি হৈ আছে সেই কথাও মই জানিবলৈ চেষ্টা কৰোঁ।<br>শিক্ষকসকলে সঠিকভাৱে বুজাই দিছেনে নাই সেই কথা পৰীক্ষা কৰিবলৈ আৰু ল'ৰা-ছোৱালীবোৰক অতিৰিক্ত ব্যাখ্যা প্ৰয়োজন আছে নেকি সেই কথা জানিবলৈ মই সিহঁতক পৰীক্ষা কৰি চাওঁ। আনকি শিক্ষকসকলে অতিৰিক্ত ভাৱে বুজাবলগীয়া হ'লেও মই কেতিয়াও সিহঁতক ভৰ্ত্সনা নকৰোঁ। |